ডিব্ৰুগড় ডায়েটৰ মাহেকীয়া

# বাৰ্তালোচনী

দ্বিতীয় খণ্ড, অক্টোবৰ, ২০১৯ মূল্য ঃ ২০ টকা

## ছেপ্টেম্বৰ আৰু অক্টোবৰ মাহত ৰূপায়িত কৰ্মৰাজি



৫ ছেপ্টেম্বৰ, ২০১৯ ঃ প্ৰতিষ্ঠানৰ অধ্যক্ষা, শৈক্ষিক বিষয়া, কৰ্মচাৰী আৰু প্ৰশিক্ষাৰ্থী সকলৰ সহযোগিতাত আড়ম্বৰপূৰ্ণভাৱে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়।




১৪ ছেপ্টেম্বৰ, ২০১৯ ঃ SRF দ্বাৰা INDIGO School Adoption Programme ৰ প্ৰধান শিক্ষক আৰু মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়কৰ বাবে আয়োজিত এদিনীয়া কৰ্মশালাত সমল ব্যক্তি হিচাপে প্ৰতিষ্ঠানৰ অধ্যক্ষা, প্ৰৱক্তাদ্বয় দুলেন চন্দ্ৰ গোহাঁই আৰু ভূপেন কুমাৰ দাসৰ অংশগ্ৰহণ।





২১ ছেপ্টেম্বৰ, ২০১৯ ঃ 'ইতিবাচক চিন্তা আৰু কিতাপ পঢ়াৰ আন্দোলন' শীৰ্ষক কৰ্মশালা অনুষ্ঠিত। সমল ব্যক্তি হিচাপে উপস্থিত থাকে সন্মিলিত প্ৰয়াস গোষ্ঠীৰ ড০ বিজয় কৃষ্ণ চেতিয়া, প্ৰদীপ গগৈ আৰু ৰণদ্বীপ বৰা। উক্ত দিনাই ডি.এল.এড. প্ৰথম ষান্মাসিকৰ প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা প্ৰস্তুত কৰা ১০ খন হাতে লিখা আলোচনী উন্মোচন কৰা হয়।



২৫ ছেপ্টে ম্বৰ-১০ অক্টোবৰ, ২০১৯ ঃ ডি.এল.এড. তৃতীয় ষান্মাসিকৰ প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা প্ৰতিষ্ঠানৰ চৌহদত ফুলনি বাগিছা স্থাপনৰ কাৰ্যসূচীৰ সফল ৰূপায়ন।



২৬ ছেপ্টেম্বৰ,২০১৯ ঃ নয়া তালিমৰ সপ্তাহজোৰা কাৰ্যসূচী ৰূপায়ন আৰু ডিব্ৰুগড় জিলা ভিত্তিত আয়োজিত 'লোকসংস্কৃতিৰে জীৱনশৈলী' শীৰ্ষক নৃত্য প্ৰতিযোগিতাত প্ৰৱক্তা ভূপেন কুমাৰ দাসৰ বিচাৰক হিচাপে অংশগ্ৰহণ।

১৬ ছেপ্টেম্বৰ, ২০১৯ঃ অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰীৰ দ্বাৰা চাবুৱা বিধান সভা সমষ্টিৰ অন্তৰ্গত বিন্ধাকটা গাঁও পঞ্চায়তৰ বিভিন্ন উন্নয়নমূলক কামৰ শিলান্যাস কাৰ্যসূচীৰ ৰাজহুৱা সভাত প্ৰতিষ্ঠানৰ অধ্যক্ষা, বিন্ধাকটা উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, উপ-সভাপতি ক্ৰমে দুলেন চন্দ্ৰ গোহাঁই আৰু ভূপেন কুমাৰ দাসৰ অংশগ্ৰহণ। উল্লেখ্য যে এই সভাতে বিন্ধাকটা উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱনৰো আধাৰশিলা স্থাপন কৰা হয়।

২৫ ছেপ্টেম্বৰ, ২০১৯ ঃ **AIDS Control Society** ৰ দ্বাৰা গুৱাহাটীত আয়োজিত কৈশোৰ শিক্ষা কাৰ্যসূচীত প্ৰবক্তা ভূপেন কুমাৰ দাসৰ অংশগ্ৰহণ।

ছেপ্টেম্বৰ মাহত বি.এড. আৰু ডি.এল.এড. ৰ প্ৰতিটো শ্ৰেণীৰ পৰা দুগৰাকীকৈ প্ৰতিনিধিক লৈ সাহিত্য চ'ৰা গঠন।

অতিথি প্ৰশিক্ষক ৰক্তিম ডেকাৰ দ্বাৰা 'ডিব্ৰুগড় জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ'ৰ সপ্তবিংশতিতম্ বাৰ্ষিক মুখপত্ৰ 'জাগৃতি'ৰ বেটুপাত অংকন।




১৩-২৭ অক্টোবৰ, ২০১৯ ঃ পানীতোলা শিক্ষা খণ্ডৰ অন্তৰ্গত পুখুৰীজান প্ৰাথমিক বিদ্যালয় আৰু মৰিছা গাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত খাঁজিখোৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত স্বাস্থ্য সজাগতা শিবিৰ। সজাগতা শিবিৰত মুঠ ২৩০ জন ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ।



১৪-১৭ অক্টোবৰ, ২০১৯ ঃ প্ৰবক্তা জুৰী নেওগৰ তত্ত্বাৱধানত ডি.এল.এড. প্ৰথম ষাণ্মাসিকত ECE ৰ TLM প্ৰস্তুতৰ কৰ্মশালা আয়োজন।



১৫-১৬ অক্টোবৰ, ২০১৯ ঃ আন্তঃ মহাবিদ্যালয়ৰ ভলীবল প্ৰতিযোগিতাৰ অৰজাৰ্ভাৰ হিচাপে প্ৰৱক্তা ৰঞ্জন বৰাৰ যোগদান।

৩১ অক্টোবৰ, ২০১৯ ঃ প্ৰবক্তা দুলেন চন্দ্ৰ গোহাঁই আৰু হেমন্ত কুমাৰ দত্তৰ ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা **NISHTHA**ৰ প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ।

অক্টোবৰ মাহত কাৰ্যালয় সহায়িকা পল্লৱী খনিকৰৰ যোৰহাট ডায়েটলৈ বদলিকৰণ আৰু কাৰ্যালয় সহায়ক বিশ্বেশ্বৰ কুমাৰৰ অবসৰ গ্ৰহণ।

নতুন প্ৰবক্তা হিচাপে অণিমা গোস্বামী কটকী আৰু নিপজ্যোতি পাতিৰিৰ যোগদান।







১০-১২ অক্টোবৰ, ২০১৯ ঃ দুৰ্যোগ ব্যৱস্থাপনা আৰু বিদ্যালয় সুৰক্ষা প্ৰশিক্ষণৰ ৰাজ্যিক কৰ্মশালাত প্ৰতিষ্ঠানৰ প্ৰৱক্তাদ্বয় ক্ৰমে স্বৰাজ ফুকন আৰু ৰঞ্জন বৰাৰ অংশগ্ৰহণ আৰু জিলাত প্ৰশিক্ষণ প্ৰদান।

## ছেপ্টেম্বৰ মাহত প্ৰকাশিত মাহেকীয়া বাৰ্তালোচনীৰ এক আলোকচিত্ৰ



বাৰ্তালোচনী

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান

ডিব্ৰুগড়, চাবুৱা

খণ্ড - ১, চেপ্তেম্বৰ, ২০১৯ চন

অন্তৰ্ভাগত

পৃষ্ঠা নং ২ ঃ অধ্যক্ষাৰ বুলনি আৰু বাৰ্তালোচনীৰ অলিন্দত সম্পাদকৰ কলম


পৃষ্ঠা নং ৩-৪ ঃ ৰূপালী জয়ন্তী সমাৰোহৰ এক আলোকপাত

পৃষ্ঠা নং ৫ ঃ বিদায় সভা আৰু নৱাগত আদৰণি সভাৰ ৰেঙণি

পৃষ্ঠা নং ৬ ঃ স্বচ্ছতা আৰু সৌন্দৰ্য নিৰ্মাণ

পৃষ্ঠা নং ৭ ঃ কৰ্তব্যৰ কল্লোল

পৃষ্ঠা নং ৮ ঃ আলোকচিত্ৰই কথা কয় আৰু সম্পাদনা সমিতি



আলোকচিত্ৰই কথা কয়

By Arpana Gogoi
My wish is to stay always like this, living quietly in a corner of nature
(D.El.Ed. 3rd Semester)

By Parishmita Gogoi
প্ৰকৃতিৰ গগন চুম্বনৰ এইয়া এক বিস্তৃত সংগম
(D.El.Ed. 3rd Semester)

By Mrinal Gogoi
Venus to the earth
(D.El.Ed. 3rd Semester)

By Nitumoni Gogoi
নৈ পৰীয়া সপোন
(D.El.Ed. 1st Semester)

By Bismita Gogoi
আঘোণৰ পথাৰৰ মেটমৰা ভাৰ
(D.El.Ed. 1st Semester)

By Sonal Jaiswal
Golden hour of twilight
(D.El.Ed. 1st Semester)

শৈক্ষিক বিষয়াসকল

ৰুণু গগৈ সোণোৱাল, অধ্যক্ষা
ভূপেন কুমাৰ দাস, প্ৰবক্তা
দুলেন চন্দ্ৰ গোহাঁই, প্ৰবক্তা
মলয় বৰুৱা, প্ৰবক্তা
হেমন্ত কুমাৰ দত্ত, প্ৰবক্তা
জুৰি নেওগ, প্ৰবক্তা
স্বপ্নালী বৰুৱা, প্ৰবক্তা
দীপামণি ফুকন, প্ৰবক্তা
ৰঞ্জন বৰা, প্ৰবক্তা
স্বৰাজ ফুকন, প্ৰবক্তা
নিপামণি টায়ে, প্ৰবক্তা
ৰক্তিম ডেকা, অতিথি প্ৰশিক্ষক
ধ্ৰুৱজ্যোতি গোহাঁই, অতিথি প্ৰশিক্ষক
মনোজ কেওঁট, অতিথি প্ৰশিক্ষক

প্ৰতিষ্ঠানত কৰ্মৰত কাৰ্যালয়ৰ কৰ্মচাৰীসকল

হেমচন্দ্ৰ হাজৰিকা, গাণনিক
লাচিত দিহিঙীয়া, পৰিসংখ্যাৰ সহায়ক
শেৱালি কাকতি, গ্ৰন্থাগাৰিক
সবল কুমাৰ দাস, কাৰিকৰী সহায়ক
স্মৃতিৰেখা চেতিয়া, কৰ্ম শিক্ষাৰ শিক্ষক
লাৱণ্য ফুকন, উচ্চবৰ্গ সহায়ক
বিশ্বেশ্বৰ কুমাৰ, উচ্চবৰ্গ সহায়ক
পৰমানন্দ কোঁৱৰ, বিজ্ঞানাগাৰ সহায়ক
নীলমণি চৈৰণ, নিম্নবৰ্গ সহায়ক
পল্লৱী খনিকৰ, নিম্নবৰ্গ সহায়ক
পূৰ্ণকান্ত হাজৰিকা, চতুৰ্থবৰ্গ কৰ্মচাৰী
গিৰিণ সেনাপতি, চতুৰ্থবৰ্গ কৰ্মচাৰী
বেদান্ত গগৈ, চতুৰ্থবৰ্গ কৰ্মচাৰী
যিচুৰাজ দাস, চতুৰ্থবৰ্গ কৰ্মচাৰী

সম্পাদনা সমিতি

সভানেত্ৰী ঃ ৰুণু গগৈ সোণোৱাল, অধ্যক্ষা
উপ-সভাপতি ঃ ভূপেন কুমাৰ দাস, প্ৰবক্তা
সম্পাদক ঃ স্বৰাজ ফুকন, প্ৰবক্তা
প্ৰশিক্ষাৰ্থী সদস্য ঃ আকাশ দেৱনাথ, চুইটী বৰা, গুণীন সন্দিকৈ, পৰিস্মিতা গগৈ, জিনি মনি কোচ
অংগ-সজ্জা ঃ অভিজিৎ বৰা (কটন বিশ্ববিদ্যালয়)

৮ বাৰ্তালোচনী, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়, চাবুৱা

## সম্পাদকীয়

## সম্পাদকৰ একলম

শিক্ষকতা এক পৱিত্ৰ ধৰ্ম। ঋক্‌বেদত শিক্ষকসকলক মাৰ্গদৰ্শক আৰু পৰম শক্তিশালী বুলি কৈ গৈছে। এৰিষ্টটলৰ মতে এগৰাকী ৰাষ্ট্ৰপতি হ'বলৈ যিমান যোগ্যতাৰ প্ৰয়োজন, এজন প্ৰকৃত শিক্ষক হ'বলৈ তাতোতকৈয়ো অধিক যোগ্যতাৰ প্ৰয়োজন। তাৰোপৰি শিক্ষকৰ ব্ৰত হ'ব লাগিব ছাত্ৰক পূৰ্ণাংগ মানৱৰূপে গঢ়ি তোলা, অন্তৰত প্ৰশান্তি, দয়া, সৰলতা, পৱিত্ৰতা, সাধুতা, বিনয়, শ্ৰদ্ধা এই প্ৰমূল্য থাকিলেহে মন সুন্দৰ হয়। শিক্ষকসকল এই সজগুণেৰে বিভুষিত হৈ নিজকে শ্ৰেষ্ঠ আৰ্হি কৰি ল'ব লাগে।

এইটো অনস্বীকাৰ্য যে ৰাষ্ট্ৰৰ প্ৰশাসক, চিকিৎসক, দাৰ্শনিক, বিজ্ঞানী আদিক সমাজত অবদান আগবঢ়াব পৰাকৈ গঢ়ি তুলিছে কেৱল মাত্ৰ শিক্ষাবৃত্তিত জড়িত লোকসকলেহে। গতিকে কোৱা হয় শিক্ষকতাতকৈ মহান বৃত্তি আৰু নাই।

শিক্ষক প্ৰশিক্ষণ এটাত মুখামুখি হোৱা কটন মহাবিদ্যালয়ৰ ৰসায়ণ বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক ড' পান্নালাল গোস্বামী চাৰৰ কথা কেইটাই যেন প্ৰতিজন শিক্ষকক দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সজাগ কৰি তোলে। মন মগজুত অহৰহ ক্ৰিয়া কৰি থকা বাক্যকেইটা প্ৰকাশ নকৰি নোৱাৰিলো। চাৰৰ ভাষাৰে - "শিক্ষকতাৰ বাবে উপযুক্ত হ'বলৈ যিখিনি পঢ়িলা, সেইখিনি যে কিমান নগন্য, সেই কথা পঢ়াবলৈ গৈহে গম পাবা। নিজে ছাত্ৰাৱস্থাত যিমান পঢ়িছিলা এতিয়া তাৰ তিনিগুণ পঢ়িব লাগিব। ৪৫ মিনিটৰ ক্লাচ এটাৰ বাবে প্ৰস্তুতি থাকিব লাগিব ৯০ মিনিটৰ। পাঠ্যপুথিত নথকা কথা যিমানেই দিব পাৰিবা সিমানেই ছাত্ৰ-ছাত্ৰী তোমাৰ প্ৰতি আকৰ্ষিত হ'ব। এটা কথা মনত ৰাখিবা ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিয়ে বছৰেকত কেইবাৰ? তুমি কিন্তু ক্লাচত পৰীক্ষা দিব লাগিব প্ৰতিদিনে, প্ৰতিটো ক্লাচত আৰু তাত তোমাৰ পৰীক্ষক হ'ব ছাত্ৰ-ছাত্ৰীসকল।"

শেষত বাৰ্তালোচনীখনৰ প্ৰস্তুতি আৰু সম্পাদনাৰ বাবে মাননীয় অধ্যক্ষা মহোদয়াকে মুখ্য কৰি প্ৰবক্তা শ্ৰদ্ধাৰ ভূপেন কুমাৰ দাস চাৰ, দুলেন গোহাঁই চাৰ আৰু স্বৰাজ ফুকন চাৰৰ লগতে সম্পাদনা সমিতিৰ সকলো বিষয়ববীয়া আৰু ভাতৃপ্ৰতীম আকাশ দেৱনাথ যাৰ অশেষ কষ্ট আৰু পূৰ্ণ সহযোগিতাৰ বাবে বাৰ্তালোচনীখন আপোনালোকৰ হাতত তুলি দিব পৰা গ'ল, তেওঁলোক সকলোৰে ওচৰত কৃতজ্ঞ হৈ ৰ'লো।

- গৰিমা দত্ত

## সুস্থ দেহতহে সুস্থ শিক্ষাৰ বিকাশ হয়

ভূপেন দাস
প্ৰবক্তা

অসমীয়াত এষাৰী কথা আছে যে- "দেহা থাকিলেহে বেহা হয়।" ইয়াত দেহা মানে সু-স্বাস্থ্যৰ কথাকে কোৱা হৈছে। শাৰীৰিক বা মানসিক স্বাস্থ্য বেয়া হ'লে ব্যক্তিয়ে আশা কৰা ধৰণে কাৰ্য সম্পাদন কৰিব নোৱাৰে। শাৰীৰিক বা মানসিক স্বাস্থ্য বেয়া হোৱাৰ কাৰণ অনেক। আমাৰ স্বাস্থ্য বেয়া হোৱাৰ কাৰণ অনেক। আমাৰ স্বাস্থ্য বেয়া হোৱাৰ কিছুমান সাধাৰণ কাৰণ আমি কিছু সাৱধানতা বা সজাগ হ'লেই আঁতৰ কৰিব পাৰো। স্বাস্থ্য বিধিৰ যিবোৰ নীতি-নিয়ম আছে সেই নিয়ম সমূহ যথাৰীতি পালন কৰিব পাৰিলেই আমি বহুখিনি সম্ভাব্য বেমাৰৰ পৰা হাত সাৰি থাকিব পাৰো। আমাৰ অভিভাৱকৰ অজ্ঞতা, শিক্ষকৰ অন্যমনস্কতা ইত্যাদি কাৰণত ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণৰ বেমাৰ আজাৰৰ বলি হ'ব লগা হয়। স্বাস্থ্য বিধি সম্পৰ্কে সজাগতাৰ অভাৱ পৰিলক্ষিত হয় সামাজিক, অৰ্থনৈতিক, শৈক্ষিক ভাৱে পিছপৰি থকা সমাজত। এই সমাজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত স্বাস্থ্যবিধিৰ সজাগতা অনাৰ লক্ষ্যৰে আমাৰ প্ৰতিষ্ঠানটিৰ NSS গোটৰ উদ্যোগত যোৱা ইং ১০/০৯/২০১৯ তাৰিখৰ পৰা কেইখনমান বিদ্যালয়ত 'স্বাস্থ্য আৰু অনাময়' শীৰ্ষক বিষয়ত সজাগতা সভাৰ আয়োজন কৰা হয়। সমল ব্যক্তি হিচাপে খাঁজিখোৱা স্বাস্থ্য কেন্দ্ৰৰ কেইবাগৰাকীও চিকিৎসক আৰু চিকিৎসা কৰ্মীক নিমন্ত্ৰণ কৰি অনা হৈছিল। ডায়েটৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে প্ৰবক্তা ভূপেন কুমাৰ দাস আৰু কাৰ্যালয়ৰ সহকাৰী হিচাপে উপস্থিত থাকে নীলমণি টেৰণ। প্ৰতিটো কাৰ্যক্ৰমতে তিনিখনকৈ বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণৰ বাবে নিৰ্বাচিত কৰা হৈছিল। তলত উপস্থিত থকা বিদ্যালয় সমূহৰ নাম উল্লেখ কৰা হ'ল।




সজাগতা সভা ১ তাং ঃ ১৩-০৯-২০১৯, স্থান ঃ পুখুৰীজান সুহাগী দেৱী প্ৰাথমিক বিদ্যালয়

১/ পুখুৰীজান সুহাগী দেৱী প্ৰাথমিক বিদ্যালয়, ২/পূব নেফাফু প্ৰাথমিক বিদ্যালয়, ৩/ বিষ্কাকটা প্ৰাথমিক বিদ্যালয়।

সজাগতা সভা - ২ তাং- ২৭/০৯/২০১৯

স্থান ঃ মৰিচা গাওঁ উচ্চ মাধ্যমিক বিদ্যালয়।

১/ মৰিচা গাওঁ উচ্চ মাধ্যমিক বিদ্যালয়, ২/ হাতীআলি চিনিয়ৰ বেচিক বিদ্যালয়, ৩/ হাতীআলি উচ্চ মাধ্যমিক বিদ্যালয়।

অংশগ্ৰহণ কৰা মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৩০ জন।

উল্লেখিত স্বাস্থ্য সজাগতা সভাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে সাধাৰণ স্বাস্থ্য বিধিৰ নীতি নিয়ম সমূহ কিদৰে পালন কৰিব লাগে, শৌচাগাৰ বা প্ৰস্ৰাৱাগাৰৰ ব্যৱহাৰ কিদৰে কৰিব লাগে, খোৱাৰ আগত হাত কেনেদৰে পৰিস্কাৰ কৰিব লাগে আদি দিশৰ কৌশল সমূহ আয়ত্ব কৰিব পাৰিলে বুলি আশা কৰা যায়। অনাগত দিনতো এনেধৰণৰ কাৰ্যসূচী জিলাখনৰ ভিন্ন প্ৰান্তত ৰূপায়ণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে।

## NISHTHA

### (National Initiative for School Heads and Teachers' Holistic Advancement)

Dulen Ch. Gohain
Lecturer

It is a integrated teacher training programme for inproving quality of elementary school education. Union HRD minister launches NISHTHA to build capacities of 42 lakh Government teachers across the country.

1. NISHTHA is the worlds largest teachers' training programme of its kind in the world.
2. It has been launched to improve learning outcomes at the elementary level.
3. The basic objective of this massive training programme is to motivate and equip teachers to encourage and foster critical thinking in students.
4. The initiative is first of its kind where standardised training modules are developed at national level for all states and UTs.
5. The prominent features of this integrated programme are activity based modules.

**Expected Outcomes :**

1. Teacher will get awareness and develop their skills on various aspects related to learning outcomes.
2. This integrated programme aims to build the capacities of around 42 Lakh participants covering all teachers and Head of schools at elemantary level in all Govt. schools, faculty of SCERT, DIETs, BRC, CRCC in all states and UTs.

The proposed functioning structure of NISHTHA is as follows :

**National Resource Group (120)**

National resource Group (NRGs) will train key resource person (KRPs) and state Resource persons, Leadership (SRPL) of the States / UTs. One NRG includes 15 national level resource persons.

**State Resource Group (33,000)**

One State Resource Group (SRG) includes 05 KRPs and 01 SRPL form SCERTs, DIETs, CTEs, IASEs, SRGs will train the choll teachers and school Principals (Functionaries at district, block teachers, principals, BRCs and CRCs will be trained by SRGs. The total number of participant will be 42 Lakh.

As a DIET faculty we have attended the first round training programme at Guwahati which was conducted by SCERT, Assam on 07/09/2019. The second training programme will be conducted as same manner w.e.f. october 2019.

# অধ্যক্ষাৰ অনুভৱ

**প্ৰশ্ন** ঃ প্ৰতিষ্ঠানৰ আৰম্ভণিৰ পৰা অধ্যক্ষা হিচাপে থাকি আপোনাৰ অনুভৱ আৰু অভিজ্ঞতাৰ বিষয়ে জনাওকচোন।

**অধ্যক্ষা** ঃ ১৯৯৪ চনৰ জুন মাহত অসমৰ দ্বিতীয় পৰ্যায়ৰ 'জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান' ডিব্ৰুগড়তো আৰম্ভ হৈছিল। সঞ্চালক মহোদয়ৰ কাৰ্যালয়ত সকলোৱে প্ৰবক্তা আৰু জ্যেষ্ঠ প্ৰবক্তা হিচাপে যোগদান কৰিছিল। কিছুদিনৰ পাচতে মই অধ্যক্ষাৰ দায়িত্ব মূৰ পাতি ল'বলগীয়া হ'ল। কোৱাৰ্টাৰ হিচাপে সজোৱা অৰ্ধনিৰ্মিত গৃহকে বিভাগীয় মৌখিক অনুমতিত ব্যৱহাৰ কৰিবলৈ ললোঁ - এটা অফিচ ৰুম, এটা কোৱাৰ্টাৰ পুথিভঁৰাল আৰু এটা কাঠৰ ফাৰ্নিচাৰৰ ষ্টোৰ ৰুম হিচাপে। তাৰ পাচত ২০০০ চনত মোৰ প্ৰস্তাৱত সন্মতি জনাই অফিচৰ সকলোৱে আৰ্থিক সাহাৰ্য আৰু ডি.এল.এড.ৰ প্ৰথমটো প্ৰশিক্ষাৰ্থীৰ দলে শাৰীৰিক শ্ৰমৰ জৰিয়তে আজিৰ এই মূল গৃহ ব্যৱহাৰ উপযোগী কৰি লৈছিলো। সেইখিনি সময়ত ইয়াত কৰ্মৰত সকলোৱে আন্তিক প্ৰচেষ্টাতে অনুষ্ঠানটোৱে ঠন ধৰি উঠিছিল। বৰ্তমান ইয়াত থকা সকলৰ উপৰিও শ্ৰীযুত মোহন বৰুৱাদেৱে সকলো ক্ষেত্ৰতে আগভাগ লৈ মোক সহায় কৰিছিল।



এই প্ৰতিষ্ঠানৰ গৃহৰ উন্নয়ণৰ বাবে বছেৰেকীয়া কৰ্ম-আঁচনিৰ জৰিয়তে প্ৰস্তাৱ দি অহা হৈছে যদিও কোনো ধৰণৰ সাহাৰ্য পোৱা নাই। ইয়াৰ মাজতে কাৰ্যালয়তে সকলোৱে চাহ-কাপ খাব পৰাকৈ গেছৰ কানেকচনৰ ব্যৱস্থা কৰা হৈছে, স্থায়ীভাৱে (সন্মুখ ভাগ) বেৰাৰ ব্যৱস্থা, যিকোনো অনুষ্ঠান অনুষ্ঠিত কৰিব পৰাকৈ স্থায়ীমঞ্চৰ ব্যৱস্থা, গাড়ী বাইক ৰাখিব পৰাকৈ চালিৰ ব্যৱস্থা কৰা হৈছে। বিভিন্ন সময়ত প্ৰশিক্ষাৰ্থীসকলৰ চৌহদ আৰু মূল পথৰ পৰা ভিতৰৰ পথটোলৈকে বহুবাৰ উন্নয়নৰ বাবে কাম কৰি অহা হৈছে। প্ৰতিষ্ঠানৰ মুৰব্বী হিচাপে এখন সন্তোষ্টিৰ কৰ্মথলী গঢ়িবলৈ যত্ন কৰি আহিছোঁ আৰু সেই ক্ষেত্ৰত মই সফল হৈছোঁ বুলিয়ে ভাবোঁ।

**প্ৰশ্ন** ঃ কেতিয়াবা নেতিবাচক পৰিৱেশৰ সন্মুখীন হৈছে নে?

**অধ্যক্ষা** ঃ সকলো মানুহে নিজৰ কিছুমান নেতিবাচক প্ৰৱণতা নিয়ন্ত্ৰণ কৰিব নোৱাৰে। তেনেকুৱা পৰিৱেশৰ সন্মুখীন নোহোৱাকৈ থকা নাই যদিও সেইবিলাক মই গৌণ বুলি ভাবোঁ। কাৰণ সেইবিলাক স্বাৰ্থপৰতা, লোভ আৰু অহংকাৰৰ বাবেই প্ৰকাশ ঘটে। গতিকে সেইবিলাকৰ তুলনাত মই সকলোৰে পৰা আনকি স্থানীয় ৰাইজৰ পৰাও বহু হেপাহ লাভ কৰি আহিছোঁ।

**প্ৰশ্ন** ঃ প্ৰশিক্ষাৰ্থী সকলৰ বাবে আপুনি কি ধৰণৰ বিশেষ ব্যৱস্থা লৈ আহিছে?

অধ্যক্ষা ঃ প্ৰশিক্ষাৰ্থীসকলৰ সামগ্ৰীক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন সময়ত বিভিন্ন ধৰণৰ কাৰ্যসূচী তথা ব্যৱস্থা হাতত লৈ থকা হৈছে। তাৰ ভিতৰত আলোচনী প্ৰকাশ, প্ৰাচীৰ পত্ৰিকাৰ ব্যৱস্থা, হাতে লিখা আলোচনী, বাৰ্তালোচনীৰ ব্যৱস্থা, ২০১১ চনত প্ৰশিক্ষাৰ্থীসকলৰ সকলো কাম-কাজ ৰেকৰ্ডিং কৰি তথ্য চিত্ৰৰ নিৰ্মাণ আৰু SIRD ৰ দ্বাৰা সমগ্ৰ অসমত প্ৰচাৰ কৰা হৈছিল। অসম চৰকাৰৰ দ্বাৰা আয়োজিত বিভিন্ন কাৰ্যসূচীত প্ৰদৰ্শনি অনুষ্ঠিত কৰা হৈছে।

মাজে সময়ে বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞৰ জৰিয়তে কিছুমান সমাজৰ জ্বলন্ত সমস্যাৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত কৰি অহা হৈছে। এই বছৰৰ পৰা প্ৰতিমাহত এজন / এটা গ্ৰুপক অতিথি হিচাপে নিয়মিত ৰূপত আমন্ত্ৰণ কৰা হৈছে। তদুপৰি শিক্ষকে Friend, Philosopher & Guide হিচাপে ছাত্ৰ-ছাত্ৰীৰ লগত সম্পৰ্ক ৰাখিব লাগে, সেয়া আমাৰ প্ৰতিষ্ঠানে আদৰ্শৰে দেখুৱাই আহিছে।

কাৰ্যালয়ৰ মঞ্চ থকা কোঠাটোত প্ৰজেক্টাৰৰ স্থায়ী সংযোগৰ ব্যৱস্থা কৰা হৈছে লগতে সমগ্ৰ চৌহদত ৱাইফাইৰ ব্যৱস্থা কৰা হৈছে। প্ৰশিক্ষাৰ্থীসকলে পোনপটীয়াকৈ কম্পিউটাৰৰ জৰিয়তে শিক্ষা আহৰণ আৰু অভ্যাস কৰাৰ সুবিধাও কৰি দিয়া হৈছে।

প্ৰশিক্ষাৰ্থীৰ প্ৰেৰণাৰ বাবেই ৰেডিঅ' চেন্টাৰৰ জৰিয়তে প্ৰচাৰিত অনুষ্ঠানত অংশগ্ৰহণ আৰু বাতৰি কাকতত লেখা-মেলা কৰা হয়।

বিভিন্ন অনুষ্ঠানৰ উপলক্ষ্যত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। তদুপৰি মাজে সময়ে আয়োজন কৰা প্ৰীতিভোজে অনুষ্ঠানৰ সদস্য সকলৰ মাজত আপোন ভাৱ সৃষ্টি কৰে।

২০১৯ চনত ২৫ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষ্যত ৰূপালী জয়ন্তী বৃহৎ কলেবৰৰ কাৰ্যসূচীৰে তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হৈছিল। সকলো প্ৰশিক্ষাৰ্থীয়ে মুকলি মনেৰে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী— ভাওনা, নৃত্য নাটিকা, নাটক, দলীয় নৃত্য আদিৰ উপৰিও তিনিদিনত অনুষ্ঠিত শিক্ষামূলক আলোচনা চক্ৰত অংশগ্ৰহণ কৰিছিল। শেষৰ দিনা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাই সকলোৰে মন মোহিবলৈ সক্ষম হৈছিল। এই সকলোখিনি ৰেকৰ্ডিং কৰি ৰখা হৈছে।

আমাৰ প্ৰতিজন প্ৰবক্তাৰ নিজৰ কামটোৰ উন্নয়নৰ বাবে তথা অনুষ্ঠানৰ মান বঢ়াবৰ বাবে কাম-কাজৰ স্বাধীনতা আছে। বিভিন্ন কামৰ বাবে অধ্যক্ষা হিচাপে মোৰ পৰা অনুমতি বিচাৰে। মই সহাঁৰি দিয়াৰ লগতে অংশগ্ৰহণ কৰিবলৈ ভাল পাওঁ। সেয়ে অনুষ্ঠানটোক ভালপোৱা প্ৰতিজন প্ৰশিক্ষাৰ্থী, কৰ্মচাৰী, বিষয়াই অনুষ্ঠানৰ উন্নয়নৰ হকে একগোট হৈ কাম কৰি আহিছে।

**প্ৰশ্ন** ঃ আপুনি কৰা সকলো কামৰ বাবে চৰকাৰী নিৰ্দেশনা থাকে নে?

**অধ্যক্ষা** ঃ জিলাখনৰ শৈক্ষিক দায়িত্ব পালন কৰিবলৈকে এই অনুষ্ঠানৰ জন্ম। গতিকে চৰকাৰী নিৰ্দেশনাসমূহৰ উপৰিও নিজাববীয়াকৈ গ্ৰহণ কৰা কৰ্ম আঁচনিৰ জৰিয়তে কিছুমান কাম কৰোঁ। তদুপৰি আকস্মিকভাৱে আহি পৰা বিভিন্ন অনুষ্ঠানৰ আমন্ত্ৰণ ৰক্ষা কৰি আলোচনা চক্ৰ তথা কৰ্মশালাত যোগদান কৰা হয়। উদাহৰণস্বৰূপে- Indigo Company য়ে লাহোৱালত অধিগ্ৰহণ কৰা ১৫ খন স্কুলৰ শৈক্ষিক কাৰ্যসূচীত তেখেতসকলৰ আহ্বান ক্ৰমে যোগদান কৰা হৈছে। ডায়েটৰ পৰা প্ৰয়োজন সাপেক্ষে বিভিন্ন সময়ত ৰোগাক্ৰান্ত প্ৰশিক্ষাৰ্থীক অৰ্থসাহাৰ্য আগবঢ়াই আহিছোঁ।

**প্ৰশ্ন** ঃ প্ৰতিষ্ঠানটোৰ প্ৰশিক্ষাৰ্থীসকলক আপুনি কি পৰামৰ্শ আগবঢ়াব খোজে?

**অধ্যক্ষা** ঃ প্ৰশিক্ষাৰ্থীসকলৰ প্ৰতি মোৰ অনুৰোধ তেওঁলোকে নিজৰ দক্ষতা বৃদ্ধিৰ বাবে যত্নপৰ হ'বলৈ নিজৰ প্ৰতি সচেতন হওক আৰু আত্মপ্ৰত্যয় বৃদ্ধি কৰি আত্মবিশ্বাস দৃঢ় কৰক। এজন মানুহৰ আটাইতকৈ প্ৰয়োজনীয় বিষয় আত্মসন্মান বুলি ভাবোঁ। আত্মসন্মান অটুট ৰাখি একাগ্ৰ সাধনাৰে কৰ্তব্যৰত হলে যিকোনো ব্যক্তি সকলো ক্ষেত্ৰতে সফল হ'ব পাৰে। সেয়ে নিজৰ দায়িত্বৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনাওঁ।

# মূল্যায়ন উপলব্ধি

নিপামণি টায়ে
প্ৰবক্তা

কৰ্মক সতেজ আৰু সক্ৰিয়তা প্ৰদানত মূল্যায়ন অপৰিহাৰ্য। মূল্যায়ন অবিহনে ব্যক্তি তথা সমাজ স্থবিৰ হৈ পৰিব। ই কেৱল শিকণ-শিক্ষণ প্ৰক্ৰিয়াৰ মূল্য নিৰ্ধাৰনেই নকৰে, বহু সময়ত মূল্যায়নে সমালোচনাৰ ভূমিকাত অৱতীৰ্ণ হয়। অৰ্থাৎ শৈক্ষিক ক্ষেত্ৰত 'মূল্যায়ন' অভিধাটিৰে যাক বুজোৱা হয়, ব্যৱহাৰিক জীৱনত তাক 'সমালোচক' বুলি ক'লেও ভুল কোৱা নহ'ব। ইয়াৰ তাৎপৰ্য এয়ে যে মূল্যায়নৰ পৰিভাষা কেৱল শৈক্ষিক পৰিৱেশৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই, ই সামাজিক জীৱনলৈকো প্ৰসাৰিত হৈছে।

শৈক্ষিক ক্ষেত্ৰত মূল্যায়নে এক নিৰ্দিষ্ট মূল্য স্থিৰ কৰা প্ৰক্ৰিয়াক নিৰ্দেশ কৰে। য'ত শিক্ষক অথবা প্ৰশিক্ষকে প্ৰত্যক্ষভাৱে প্ৰশিক্ষাৰ্থীৰ কৰ্মপদ্ধতি নিৰীক্ষণ আৰু পৰীক্ষণ কৰে। অৱশ্যে, তাৰ বাবে প্ৰশিক্ষকে পৰিমাপণ (Measurement) আৰু মান নিৰূপণ (Assessment) এই দুই স্তৰ অতিক্ৰম কৰিবলগা হয়। যি ক্ষেত্ৰত পৰিমাপণে সংখ্যাগত তথ্য যোগানৰ পক্ষপাতি, সেই ক্ষেত্ৰত মান নিৰূপণে সেই সংখ্যাৰ ভিত্তিত নতুন তথ্যৰ সংযোজন, আহৰণ আৰু সংশোধনৰ লগতে প্ৰতিকাৰৰ বিধান দিয়ে। এই দুই স্তৰ অতিক্ৰমৰ অন্তৰালত মানদণ্ড বিচাৰ কৰা স্তৰত উপনীত হোৱা যায়। প্ৰতিগৰাকী শিক্ষক/প্ৰশিক্ষকে শিক্ষাৰ্থীৰ শৈক্ষিক দিশৰ প্ৰজ্ঞানাত্মক, আনুভূতিক আৰু মনোসঞ্চালক বিকাশৰ দিশে অগ্ৰসৰ হয় যদিও প্ৰধানভাৱে শিক্ষাৰ্থীৰ সংখ্যাগত পাৰদৰ্শিতাত অধিক মূল্য আৰোপ কৰে। ফলস্বৰূপে শিক্ষাৰ্থীৰ প্ৰকৃত মূল্যায়ণ নিৰ্ণয় কৰা কিছু কঠিন হৈ পৰে। অৱশ্যে, যি ক্ষেত্ৰত শিক্ষাৰ্থীৰ মূল্যায়ন মৌখিক, লিখিত পৰীক্ষা আৰু অন্য উপায়েৰে প্ৰত্যক্ষভাৱে কৰা হয়, সেই ক্ষেত্ৰত শিক্ষকৰ মূল্যায়নৰ ব্যৱস্থা নাই। কোৱা হয় - 'শিক্ষক সমাজৰ সম্পদ।' পিছে সেই সম্পদৰ যথোচিত সংশোধন, পৰিশোধন আৰু মূল্যায়নৰ অৱকাশ নাই। বহু সময়ত যদিও শিক্ষকৰ আত্মমূল্যায়ন প্ৰক্ৰিয়াৰ দ্বাৰা পৰোক্ষভাৱে সংশোধনৰ ব্যৱস্থা কৰা হয় তথাপি প্ৰত্যক্ষভাৱে মানদণ্ড বিচাৰৰ প্ৰাসংগিকতাত গুৰুত্ব দিয়া নহয়। অৱশ্যে এই ক্ষেত্ৰত এগৰাকী শিক্ষকে অন্য এগৰাকী শিক্ষকৰ বিপক্ষে যুক্তিকৰ মন্তব্য আগবঢ়াই মূল্য বিচাৰ কৰাৰ মানসিকতা থকা পৰিলক্ষিত নহয়। দুই এগৰাকী সদাশয় ব্যক্তিয়ে আগবাঢ়ি আহিলেও সমসাময়িক ব্যক্তিৰ পৰা যথোচিত সঁহাৰি নাপায়। সভ্য সমাজৰ এনে চিন্তাধাৰা সাধাৰণ সমাজলৈকো বিস্তাৰিত হৈছে। ফলস্বৰূপে দিনে দিনে ব্যক্তি বৈষম্যৰ সংখ্যা বাঢ়ি গৈছে। সম্প্ৰতি পৰিয়ালকেন্দ্ৰিক শ্ৰেণী বিভাজন, বৃদ্ধাশ্ৰম আৰু মানসিক চিকিৎসালয়ৰ প্ৰয়োজনীয়তাৰ মূলতে মূল্যায়নৰ অভাৱ তথা তাক গ্ৰহণৰ অপাৰগতাক নিৰ্দেশ কৰে।

সামাজিক মূল্যায়নে ব্যক্তিৰ ব্যক্তিত্ব অটুট ৰাখি আত্মবিশ্বাস, আত্মগৰিমা, দায়িত্ববোধ, আগ্ৰহ, আবেগিক আৰু মানসিক মূল্যবোধ বৃদ্ধি কৰি এক সুস্থিৰ সামাজিক পৰিৱেশ সৃষ্টিত অৰিহনা যোগায়। তাৰ বাবে প্ৰতিগৰাকী ব্যক্তিৰ আত্মোপলব্ধি আৰু সংশোধনৰ মানসিকতা থকা দৰকাৰ। অৱশ্যে, ব্যক্তি অনুযায়ী ব্যক্তিত্ব সুকীয়া যদিও তাক একত্ৰীকৰণ কৰি এক সামাজিকীকৰণ প্ৰক্ৰিয়াৰে মূল্যায়ন কৰিলেহে শৈক্ষিক আৰু ব্যৱহাৰিক জীৱনত মূল্যায়নৰ প্ৰকৃত সাৰ্থকতা বিচাৰ কৰা হ'ব। প্ৰয়োজন কেৱল মুক্ত এটা মন আৰু সহযোগিতা মনোভাৱৰ ■

# শব্দৰ যাদুকৰ হীৰুদাৰ কবিতাৰে জীপাল আমাৰ কবিতাৰ প্ৰাণ

অনিমা গোস্বামী কটকী
প্ৰবক্তা

শব্দত বন্দী হয় অনুভৱ। শব্দ পৰম ব্ৰহ্ম। শব্দত বন্দী অনুভৱবোৰ কেতিয়াবা নদী হয়, জিৰজিৰকৈ বৈ গৈ কেতিয়াবা পাহাৰী নিজৰা হয়। শব্দবোৰে হৃদয়ৰ সতে মিতিৰালি পাতি কবিতা হয়; কথা ক'ব খোজে কবিতাৰে — জীৱনৰ কথা, যৌৱনৰ কথা, নিঃস্বজনৰ কথা, দুৰ্গতজনৰ কথা, পাহাৰ-নদ-নদী-নিজৰাৰ কথা।

এইদৰেই পৰম ব্ৰহ্ম শব্দৰ যাদুকৰী শক্তিৰে মোহাচ্ছন্ন কৰি ৰখা স্বনামধন্য কবি হীৰেন ভট্টাচাৰ্যদেৱ যেন অসমীয়া কাব্য সাহিত্যৰ জগতত অপৰাজেয়। সমাজৰ উচ্চশিক্ষিত জনৰ পৰা আৰম্ভ কৰি অনাখৰী চহা জীৱনৰ আবেগ অনুভূতিৰে সমৃদ্ধ হীৰুদাৰ কবিতাত আছিল স্বতঃস্ফূৰ্ত ভাবলেশ আৰু সহজবোধ্যতা। আজীৱন শব্দৰ সাধক হীৰুদাৰ কবিতাৰ নিটোল চিত্ৰকল্পই আমাৰ দৰে কাব্যপ্ৰেমী সকলৰ হৃদয় স্পৰ্শ কৰি যায়। সুগন্ধি পখিলা, বিভিন্ন দিনৰ কবিতা, মোৰ দেশ, মোৰ প্ৰেমৰ কবিতা, কবিতাৰ ৰ'দ, তোমাৰ গান, শইচ পথাৰ মানুহ, ভালপোৱাৰ বোকামাটি ইত্যাদি কাব্য সংকলনেৰে অসমীয়া কাব্য সাহিত্যলৈ অতুলনীয় অৱদান আগবঢ়োৱা তেখেতৰ কবিতাসমূহ যেন আমাৰ দৰে কাব্যপ্ৰেমীৰ জীৱনৰ সঞ্জীৱনী সুধা; যিদৰে হীৰুদাৰ বাবে আছিল কবিতা তেওঁৰ উশাহ-নিশাহ। অনুভৱ হয় তেখেতে যিয়েই লিখিছিল শব্দৰ চমৎকাৰিত্বৰে বাংময় হৈ সৃষ্টি হৈছিল এটি স্মৰণযোগ্য সুন্দৰ কবিতাৰ। সুখ, সুখ, স্বপ্ন, অপাৰ আনন্দ এই সকলোবোৰেই কান্ধ পাতি লয় তেওঁৰ কবিতাৰ শব্দ, বৰ্ণই। দেশমাতৃক ভালপোৱাৰ প্ৰাচুৰ্যতাৰে ভৰপূৰ হীৰুদাৰ কবিতা। প্ৰকৃতিৰ শব্দ সম্ভাৰেৰে ঈৰ্ষণীয় ভাৱে চহকী হীৰুদাৰ কবিতাবোৰ যেন আমাৰ বাবে মানসিক প্ৰশান্তি, সেয়েহে স্বভাৱগত ভাৱেই গুণগুণাই ওলাই আহে হীৰুদাৰ কবিতাৰ কলি। সম্ভৱতঃ হীৰেন ভট্টাচাৰ্য দেৱেই হৈছে অসমীয়া কাব্যজগতৰ সৰ্বাধিক উদ্ধৃতিপ্ৰাপ্ত অসমীয়া কবি। হীৰুদাৰ কবিতাত আছে মানৱতাৰ গান, মানুহৰ গান, মানবীয় প্ৰমূল্যৰ গান, দেশপ্ৰেমৰ গান, প্ৰকৃতিৰ প্ৰতি অফুৰন্ত ভালপোৱাৰ গান। যাযাবৰী জীৱনৰ প্ৰতি অনুৰক্ত হীৰুদাৰ কবিতাবোৰেও যেন পিন্ধি থাকে এক যাযাবৰী পোছাক।

শব্দৰ মায়াজাল ৰচি কবিতাৰ মোহপাশত বন্দী কৰি ৰখা হীৰুদাৰ কবিতাবোৰ যেন আমাৰ কবিতাৰ প্ৰাণ; যিবোৰে জীপাল কৰি ৰাখে আমাৰ কবিতাৰ প্ৰেমৰ বাকৰি। হীৰুদাৰ বাবেই কবিতাময় শব্দবোৰ হৃদয়লৈ বৈ আহে নিজৰি নিজৰি ■

# ROLE OF CO-CURRICULAR ACTIVITIES

**Nipjyoti Patiri**
Lecturer

Co-carricular activities (CCA) are those activities which are organised side by side with the curricular activities and supplement and the complement the main syllabli. Co-carricular activities include recitation, play, parade, music, dancing, drawing, painting, fancy dress, debate and discussion etc. Co-carricular activities were earlier turned as extra curricular activities. The extra curricular activities were not part of the curriculum in the schools. But today with the change of individual as well as society it is realized that educational objectives can't be achieved by academics alone.

Education along with co-curricular activities helps in the overall development of the students. Co-curricular activities furnish many values among students. Co-curricular activities provide an effective platform for students to develop among than values like social, aesthetic, cultural, recreational, disciplinary etc.

In the practical life, the students are able to express their ideas freely due to active participation in debates and extempore speeches. Discussion helps in gerenating ideas and inculcating values in students. Games and sports make them physically and mentally fit. Games helps them to react widely while losing or winning a game. Co-curricular activities help in breaking monotony in the classroom. Participation in cultural programmes, dramas help them in socializing with other and developing balanced personality. Field trips, tours and excursions in knowing culture, customs and activities of the people from different places, group activities among students helps in developing the feeling of harmony, unity, togetherness and sence of belongingness.

The co-curricular activities not only make student's active and energetic but also enrich the hidden potential in students. It enhances knowledge in many espects, which benefits both the students and schools ■

# অনুভৱৰ এপলক

**অনুপ বেজবৰুৱা**
প্ৰাক্তন বি.এড. প্ৰশিক্ষাৰ্থী

শিকনৰ বাবে কোনো নিৰ্দিষ্ট বয়স নাথাকে। মৃত্যু পৰ্যন্ত শিকি থাকিব পাৰি। দাৰ্শনিক প্লেট'ৱে কৈছিল, পঞ্চাশ বছৰ বয়সলৈকে মানুহে শিক্ষা গ্ৰহণ কৰা উচিত।

২০১৭ চনৰ জুলাই মাহৰ এটি শুভদিনত মোৰ জীৱনৰ 'হাফ্ চেঞ্চুৰী' কোবোৱা সন্ধিক্ষণতেই চাবুৱা, বিশমাইলস্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত (ডায়েট) হঠাতে বি.এড. পঢ়াৰ সুযোগ মিলিল। বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ত পঢ়াত বৰ বেয়া নাছিলো যদিও এইবাৰহে কি হয় ক'ব নোৱাৰো ভাৱেৰে আকৌ দুটা যুগ পাৰ কৰি ছাত্ৰৰ শাৰীত বহিলোহি। মোৰ শ্ৰেণীটোৰ ভিতৰত মোৰ সোঁৱে বাৱে চফল, উজ্জ্বল সকলৰ মাজত মোক কিহে পাইছিল বাৰু বুলি দিন অতিবাহিত কৰি গৈছো। কিন্তু এইয়া যে অপূৰ্ব ক্ষণ, আনন্দৰ মাজত শিকনৰ সু-ব্যৱস্থা।

চাবুৱাৰ ডায়েটত আমাৰ শ্ৰেণীটোক প্ৰথম যান্মাসিকতে মোৰ দৰে শিকাৰুক বোজাহীন, ভয়হীন পৰিৱেশত কৰ্মৰ মাজেৰে শিক্ষন আৰু শিকন দিশেৰে আগুৱাই নিয়াৰ চেষ্টা চলিল। নতুন পৰিৱেশটোৱে বাৰুকৈয়ে আকৰ্ষণ কৰি আনিছিল। স্বীকাৰ কৰিবই লাগিব যে আমাৰ শ্ৰেণীটোৰ প্ৰতিজন শিক্ষাৰ্থীয়ে নোৱাৰে, নহ'ব জাতীয় ভাৱ ত্যাগ কৰি দৃঢ়ভাৱে এটা পৰিয়াল হৈ সুখে দুখে এটা লক্ষ্যত আগুৱাইছিলোঁ।

ডায়েটখনৰ অনুশাসন সততে বাহিৰৰ পৰা চালে অনুমান হোৱা নাছিল। কিন্তু কেতিয়াবা পৰিস্থিতিত অধিক মৰমৰ চকুৰে চোৱা জনকো কঠোৰ শাসন কৰা ওচৰৰ পৰা দেখিছিলো। আমাৰ প্ৰতি পাঠদানৰ বাবে শিক্ষকসকলে বন্ধুত্বপূৰ্ণ সহযোগিতাৰে মিলি পৰিছিল। আমাৰ বি.এড. শ্ৰেণীটোক বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম অনুসৰি আগুৱাই নিওতে ব্যৱহাৰিক ভাৱে প্ৰতিষ্ঠানৰ অধ্যক্ষা তথা শিক্ষক সকলে স্বাধীনতা প্ৰদান কৰিছিল আৰু অতিৰিক্ত ভাৱেও পাঠ্যক্ৰমৰ বিষয়বোৰ অনুভৱ কৰাৰ সুবিধা দিছিল। নিয়মানুসাৰে, সময়ানুসাৰে চলিবলৈ কিছুমান নীতি-নিয়ম, সীমা বান্ধি দিছিল। পৰৱৰ্তী শ্ৰেণীবিলাকেও এইবোৰ মানি চলিলে নিশ্চয় সুফল পাব।

অৱশেষত ফলপ্ৰাপ্তি, অভিজ্ঞতা, নাট-ভাওনাৰ পৰিপূৰ্ণতাৰে তৃপ্ত হৈ ঘৰলৈ উভতিলো। ডায়েটত মোৰ জীৱনৰ সঁচা অনুভৱবোৰক এপলক ৰৈ যাবলৈ কৈ, ডায়েটৰ চিৰ যৌৱন কামনা কৰিলোঁ ■

# 'ইতিবাচক চিন্তা আৰু কিতাপ পঢ়াৰ আন্দোলন' কৰ্মশালাৰ অনুভৱ

**আকাশ দেৱনাথ**
ডি.এল.ইড. ১ম যান্মাসিক

ছেপ্টেম্বৰ, ২০১৯ তাৰিখ, শনিবাৰে ডিব্ৰুগড় ডায়েটৰ উদ্যোগত আৰু 'সন্মিলিত প্ৰয়াস'ৰ সহযোগত 'ইতিবাচক চিন্তা আৰু কিতাপ পঢ়াৰ আন্দোলন' শীৰ্ষক যি কৰ্মশালা অনুষ্ঠিত হৈ গ'ল সেয়া সাম্প্ৰতিক সময়ৰ বাবে এক অতি গুৰুত্বপূৰ্ণ কৰ্মশালা বুলি মই ভাবো। তেনে এক মননশীল কৰ্মশালাত উপস্থিত থাকি যথেষ্ট আপ্লুত হ'লো।

উক্ত অনুষ্ঠানৰ সমল ব্যক্তি হিচাপে আমন্ত্ৰিত সন্মিলিত প্ৰয়াসৰ অন্যতম কৰ্মকৰ্তা তথা বিশিষ্ট ভূতত্ত্ববিদ ড° বিজয় কৃষ্ণ চেতিয়া, নিয়মীয়া বাৰ্তাৰ উপ-সম্পাদক প্ৰদীপ গগৈ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ৰণদীপ বৰাই ইতিবাচক চিন্তাৰ লগত সংগতি ৰাখি যিবিলাক দিশৰ ওপৰত বক্তব্য দাঙি ধৰিছিল সেই দিশবিলাক এখন সুস্থ সমাজ তথা সুস্থ মানসিকতা গঢ়াৰ ক্ষেত্ৰত খুবেই প্ৰয়োজনীয়।

ভূতত্ত্ববিদ ড° বিজয়কৃষ্ণ চেতিয়াই তেওঁলোকে আৰম্ভ কৰা বুক ডিপোৰ ধাৰণাৰ বিষয়ে ব্যক্ত কৰিছিলে। মোৰ দৃষ্টিত সেয়া অতি প্ৰশংসনীয়। এটা নতুন ধাৰণাৰ লগত চিনাকী হৈ নথৈ আনন্দিত হ'লো আৰু তেনে এক ব্যৱস্থাৰ প্ৰয়োজনীয়তা আমাৰ এই অঞ্চলতো অনুভৱ কৰো। লগতে তেওঁৰ মুখতেই প্ৰথম 'উবানটু' দৰ্শনৰ সম্বন্ধে শুনিবলৈ পাওঁ। সঁচাই উবানটু দৰ্শনৰ যি চিন্তা সেয়া সমাজ এখনৰ উত্তৰণৰ বাবে অতি প্ৰয়োজন। বিশেষকৈ সাম্প্ৰতিক সময়ত।

প্ৰদীপ গগৈয়ে কৈ যোৱাৰ দৰে ময়ো ভাবো যে একমাত্ৰ গ্ৰন্থ অধ্যয়নে মানুহক মানুহ কৰি ৰাখিব পাৰে। কাৰণ গ্ৰন্থই কেৱল তথ্যই নিদিয়ে; গ্ৰন্থ অধ্যয়নে এক ইতিবাচক তথা স্বাধীন চিন্তা গঢ় দিয়াৰ উপৰিও মানৱীয় আৱেগ সৃষ্টি কৰে যি কেৱল এজন মানুহৰে নহয় এখন সুস্থ সমাজ গঠনৰ বাবেও অতি প্ৰয়োজনীয়।

সুন্দৰ কণ্ঠস্বৰৰ অধিকাৰী ৰণদীপ বৰাৰ কথন শৈলীয়ে খুব আকৃষ্ট কৰিলে। তেওঁ নিজৰ মনক চিনি পোৱাৰ যি কৌশলৰ বিষয়ে শিকালে সেয়া অতি মনোৰম। কথা প্ৰসংগত তেওঁ আৱেগৰ অভাৱতে যে অসমৰ নিচিনা ঠাইত বৃদ্ধাশ্ৰম সৃষ্টি হ'ব লগা হৈছে তাৰ বিষয়েও উল্লেখ কৰে।

অনুষ্ঠানটিৰ বক্তা সকলৰ চিন্তাই মোক আপ্লুত কৰিলে। তেওঁলোকৰ ভাষণত সমাজৰ সাম্প্ৰতিক সময়ৰ বহু কথাই প্ৰতিফলিত হৈছিল।

অনুষ্ঠানটিৰ আৰম্ভণিতে ডি.এল.এড. প্ৰথম যান্মাসিকৰ প্ৰশিক্ষাৰ্থীসকলে প্ৰস্তুত কৰি উলিওৱা হাতেলিখা আলোচনী সমূহ উন্মোচন কৰা হয়। লগতে অনুষ্ঠানৰ শেষত আলোচনীসমূহৰ ওপৰত মন্তব্য প্ৰদান আৰু প্ৰত্যেকটো দলক সৰু উপহাৰেৰে উৎসাহিত কৰাৰ বাবে আমি আপ্লুত আৰু উৎসাহিত হৈছো। এনে পদক্ষেপৰ বাবে অধ্যক্ষা মহোদয়ালৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

শেষত অনাগত দিনবোৰত এনেদৰেই বিভিন্ন ক্ষেত্ৰৰ চিন্তাশীল ব্যক্তিৰ উপস্থিতিত গঠনমূলক আৰু মননশীল চিন্তাৰে পৰিপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাম বুলি আশা ৰাখিলো ■

# স্ব-নিৰ্বাসন

✍স্বৰাজ ফুকন
প্ৰবক্তা

তুমি সাগৰ
মই নাবিক
তোমাৰ সাগৰনীলা চকুৰ মোহনাত
লংগৰ বন্ধাৰ
খৰধৰ প্ৰস্তুতি।

আহে দিন আহে ৰাতি
আকৌ পুৱাৱ ৰাতি
শেষেই নহ'ব যেন
জীৱন নামৰ দীৰ্ঘ পৰিক্ৰমা
শেষেই নহ'ব যেন
সংগ্ৰামৰ খলকনি।

কোনো এক বিজুলী পোহৰত
মেলিলো জাহাজ
তোমাৰ অচিন সমুদ্ৰত
এই যে দিন উত্তৰবিহীন
মানি ল'লো জীৱন নামৰ
স্ব-নিৰ্বাসন।

# গাণিতিক

✍ পুণেশ্বৰ দাস
ডি.এল.এড.৩য় যান্মাসিক

মূল্যটো বাঢ়ি যোৱাৰ আশাতেই
এটাৰ পিছত এটাকৈ
শূণ্যবোৰ বঢ়াই গৈছিলো,
তোমাৰ পূৰ্ণ সংখ্যাটোৰ পিছত।
নাজানো ক'ত মোৰ গণনা ভুল হ'ল,
দশমিকটো ঠাই দিলা তুমি
শূণ্যৰ আগত।

# উদাত্ত কবিতা

✍জয়শ্ৰী লাহন
ডি.এল.এড. ৩য় যান্মাসিক

হৃদয়ৰ পৰা হৃদয়লৈ,
উশাহৰ সিপাৰে তোমাৰ ঘাটলৈ।
তোমাৰ বুকুৰ পিনে মোৰ অনুৰাগৰ ঠিকনা।
কান্দিব পৰা নাই হয়তো
মনত নিৰ্জনতাৰ আঁচোৰ।
তোমাক বুজাব পৰাত ব্যৰ্থ,
হয়তো তোমাৰ ভাৱনাত তুমি ব্যস্ত।
শেষ বুলিয়েই জানো শেষ হয়?
হয়তো নহয়!
তোমাৰ ঘাটত মোৰ বংশীৰ পানচৈ,
বাজি উঠাৰ মোৰ উশাহৰ সিপাৰলৈ
এক উন্মাদ ধ্বনি।

# মহিম বৰাৰ 'ৰাতি ফুলা ফুল'

**যোগেশ তাৰ**
বি.এড. প্ৰথম যান্মাসিক


'কাঠনি বাৰীৰ ঘাট'ৰ গল্প কেইটিৰ মাজত থকা প্ৰকৃতি আৰু গাঁৱৰ জীৱনৰ পটভূমি আৰু কাহিনীৰ সুখ-দুখৰ ব্যঞ্জনাময় চিত্ৰৰ পৰা আঁতৰি আহি সমাজবাদী দৰ্শনৰ আঁৰ লৈ মহিম বৰাই চিত্ৰিত কৰিছে 'ৰাতি ফুলা ফুল' গল্প সংকলনটি। পুঁজিবাদৰ দুৰাৰোগ্য ৰোগৰ দৰে আক্ৰান্ত হৈছিল তাহানিৰ সহজ গাঁৱৰ জীৱন-যাত্ৰা, টকাৰ শব্দত হেৰাই গৈছিল মধ্য বিত্তৰ আত্ম-সন্মান, মূল্যবোধ। পৰিশ্ৰম বিমুখ গাঁৱৰ ডেকা চাম লিপ্ত হৈছিল সহজে ধন ঘটা কৌশলত। সেয়েহে আদৰ্শবাদী ডেকা ইঞ্জিনিয়াৰ প্ৰবোধক মাকে কৈছে, "পিছে গোটেই দেশ খনেই যেতিয়া অধৰ্মত গৈছে, তই মই দুই এজনে ধৰ্মক চিঞাই থাকিলেনো কি হ'ব?" মধ্যবিত্ত সমাজখনৰ এই জীয়া ছবিখন প্ৰতিফলিত হৈছে বৰাৰ প্ৰথমটো গল্প 'এই নদীৰ সোঁতে'ত। ফৰাচী গল্পকাৰ বাল্‌জাকৰ দৰেই মহিম বৰা যদিও মাৰ্ক্সবাদী নাছিল, কিন্তু লেখনিৰ মাজত সমাজ এখনৰ নিৰ্মোম সত্যবোৰ সাৱলীল ভাৱে চিত্ৰিত কৰিছিল। সংকলনটিৰ দ্বিতীয় গল্প 'পইতা-চোৰাতো' ধ্বনিত হৈছে পুঁজিবাদৰ হাতোৰাত বন্দী হৈ পৰা অৰ্থ সৰ্বস্ব ভোগবাদী মধ্যবিত্তৰ পংকিল জীৱন ধাৰণ। "নিজে নিজে ঘৰ-গৃহস্থী কৰি টাউন চহৰত ঘৰ-দুৱাৰ কৰি নিজৰ কথা ভাবগৈ। আমি গৈ তেতিয়া দিগদাৰ নিদিও, আমাকো দিব নালাগে।" এইদৰে অৰ্থ সম্পদে নিৰূপন কৰা মানুহৰ লগত মানুহৰ সম্পৰ্কই মেকানিকেল ইঞ্জিনিয়াৰ পাচ কৰি কৰ্ম-বিমুখ হোৱা সততাত বিশ্বাসী বল্লডক মানসিক অন্তৰ্দ্বন্দৰ মাজলৈ ঠেলি দিছে।

সামাজিক বিচাৰ-বিবেচনাকো আঁতৰাই থবলৈ কুণ্ঠাবোধ নকৰা এচাম মধ্যবিত্তৰ জীৱনৰ হতাশা আৰু ভাগ্য আৰু সুযোগ নিৰ্ভৰ আশাৰ দ্বন্দৰে নিৰ্মিত হৈছে 'ৰাতি ফুলা ফুল' গল্পটি। "গোটেই ৰাতি ফুলি থাকিব, ৰাতি পুৱালে কিন্তু জঁই পৰি যাব। জঁই পৰাই নহয়, দেখিবলৈও লোপ-থোপ ঘিন লগা হৈ পৰিব।" দেহ সৰ্বস্ব ক্ষণিক আনন্দই মতলীয়া কৰা এচাম মধ্যবিত্তৰ ভোগবাদী আৰু ফোপোলা মানসিকতাৰ নিকৃষ্ট ৰূপৰ চিত্ৰন অংকিত হৈছে 'ৰাতি ফুলা ফুল' গল্পত। সমাজৰ পৰিৱৰ্তিত চৰিত্ৰতকৈয়ো অগ্ৰজ সকলৰ অসহায় আৰু পলায়নবাদী চৰিত্ৰৰ ৰূপ ফুটি উঠিছে মহিম বৰাৰ শেষৰটি গল্প এটি পুৱাৰ জন্মত। নিজৰ ভৱিষ্যতৰ প্ৰতি উদাসীন , লক্ষ্যহীন এচাম মানুহৰ লক্ষ্যহীন কৰ্ম আচনিৰ প্ৰতিফলন 'এটি পুৱাৰ জন্ম।'

সাহিত্যৰ বাটেৰে সমাজে পৰিৱৰ্তন কৰাৰ লক্ষ্য মহিম বৰাৰ 'ৰাতি ফুলা ফুল' নহয়। ভোগবাদে গ্ৰাস কৰি পেলোৱা নগৰীয়া আৰু অসহায়তাৰ আংশিক প্ৰতিফলন ঘটিছে প্ৰতিটো গল্পতেই। এই অৰ্থত ৰাতি ফুলা ফুল বাস্তৱ সত্যৰ ওপৰত প্ৰতিষ্ঠিত এক সাহিত্যিক দলিল। প্ৰতিটো গল্পতেই অংকিত হৈছে সুদক্ষ শিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠা একোটা চিত্ৰৰ দৰে বৰ্ণনাৰ চিত্ৰণ দক্ষতা।

## ডায়েটৰ বাকৰিত কলা শিক্ষাৰ প্ৰতিফলন

প্ৰত্যেক ব্যক্তিৰ মাজত কিছু সুকীয়া গুণ বা প্ৰতিভা অন্তৰ্নিহিত হৈ থাকে যদিও কিছু কিছু ক্ষেত্ৰত ই সুপ্ত অৱস্থাত থাকে। অনুকুল পৰিৱেশ পালে ই জাগ্ৰত হৈ উঠে। তেনে এক বিৰল দৃশ্য দেখা পোৱা গৈছে ডায়েটৰ বাকৰিত। জীৱনত কোনোদিন ৰং তুলিকা ধৰি নোপোৱা প্ৰশিক্ষাৰ্থী গৰাকীয়েও ডায়েটৰ দুবছৰীয়া ডি.এল.এড



পাঠ্যক্ৰমৰ অন্তত ডায়েটৰ প্ৰতিখন দেৱাল ৰং তুলিকাৰে ওপচাই পেলাবলৈ সক্ষম হ'ল, কোনোবাই যদি আঁকিছে গ্ৰাম্য জীৱনৰ চিত্ৰ, পৌৰাণিক সাধুকথাৰ চিত্ৰ, অসমীয়া সংস্কৃতি আন কোনোবাই মহান ভাৰতীয় সংস্কৃতি, গ্ৰন্থ অধ্যয়ন, পোহৰৰ উৎসৱ, পুৰণি বিয়াৰ চিত্ৰ, অসমীয়াৰ হিয়াৰ আমঠু ভূপেনদা, লক্ষীনাথ বেজবৰুৱা, সংবিধানৰ প্ৰণেতা ড° আম্বেদকাৰ, মৌলৰ অনু-পৰমাণু আদিৰ চিত্ৰ। মুঠতে শিল্পীৰ তুলিকাৰ পৰা সাহিত্য, সংস্কৃতি, কলা, বিজ্ঞান, পৰম্পৰা আদি একোৱেই যেন বাদ পৰি যোৱা নাই।

তেওঁলোকৰ অনুভৱ - "নিজেই গম পোৱা নাছিলো এনে সুন্দৰ চিত্ৰ অংকণ কৰিব পাৰিম বুলি" শিল্পী সত্ত্বাৰ অনুভৱ কৰাৰ সুযোগ নোপোৱাকৈয়ে শিক্ষা জীৱনৰ সুদীৰ্ঘ এছোৱা সময় অতিক্ৰম কৰি আহিল। এতিয়া নিজকেই যেন বিশ্বাস কৰিব পৰা নাই। "ইমান সুন্দৰ চিত্ৰ ময়েই আঁকিলো নে?"

সহ পাঠ্যক্ৰম হ'লেও এনে কাৰ্যক্ৰমণিকাই প্ৰশিক্ষাৰ্থী সকলৰ মনোবল বৃদ্ধি কৰে আৰু আত্মবিশ্বাসী হৈ আগবাঢ়িবলৈ অনুপ্ৰেৰণা লাভ কৰে।

এইখিনিতে উল্লেখযোগ্য যে প্ৰবক্তাদ্বয় ভূপেন দাস আৰু স্বৰাজ ফুকনে পাঠ্যক্ৰমৰ বিষয়বস্তু আগবঢ়াই নিয়াৰ পাছত অতিথি প্ৰশিক্ষক ৰক্তিম ডেকাই যথেষ্ট যত্ন সহকাৰে প্ৰশিক্ষাৰ্থীসকলৰ প্ৰতিভা বিকাশৰ বাবে যত্ন কৰিছে। অধ্যক্ষা বাইদেউৰ তদাৰকী এই ক্ষেত্ৰত উল্লেখনীয়।

## সেউজ মৰীচিকা

**চিমি সোণোৱাল**
ডি.এল.এড. ১ম যান্মাসিক

মোৰ জন্মভূমি আজি
ধূলিময় হ'ল।
দুচকুৱে দেখাৰ পৰা
মোৰ আপোন,
সেউজীয়া ৰঙটি যেন
আজি মৰিচিকা হ'ল।
অৰণ্যবাসী অজ্ঞাত জীৱ
যেন আজি জীৱন
যুঁজত ব্যৰ্থ হ'ল।
নিস্পাপ শিশুটিও যেন
পূৰ্ব প্ৰজন্মৰ বলি হ'ল।
হে মোৰ জীৱ মনিষী মানৱ
আহা আমি সবে
মিলি সজাওঁ ধৰাক
এক নতুন ৰূপত
জীৱন দিও এই
শোষিত প্ৰাণক।

## মনৰ ছবি

**পিৰিঞ্চী মৰাণ**
ডি.এল.এড. ১ম যান্মাসিক

উৎকণ্ঠিত হৈ
উৎফুল্লিত মনেৰে আগবাঢ়ি গৈ আছো
সপোনৰ সেই পৰ্বতৰ শীৰ্ষ স্থানলৈ বুলি
নাই কোনো অবিশ্বাস,
নাই কোনো সন্দেহ,
নাই কোনো বিৰক্তি।
আছে মাথোঁ অজস্ৰ আশা,
অজস্ৰ আশ্বাস আৰু
গোপনে পুহি ৰাখিছো আত্মবিশ্বাস ...।
উদ্দেশ্য মাথোঁ
বাস্তৱায়িত কৰা সেই মনৰ ছবিখনি।

## আবিৰ

**চন্দন দিহিঙীয়া**
ডি.এল.এড. ১ম যান্মাসিক

অনুভৱৰ সিপাৰে আছে
এক অন্তহীন অনুৰাগ
তুমি যেন এক
অন্য অনুভূতি;
তোমাৰ বন্যাত উৰি ফুৰে
মোৰ কলিজাটি ...।
তোমাৰ হাঁহিতেই হেৰুৱাওঁ
মোৰ সমস্ত ঠিকনা
নিস্তব্ধ সমাজৰ
নিৰৱতাৰ প্ৰাচীৰ
তুমি যেন এক অবিৰত বিশ্ৰাম,
সানিলা আবিৰ।

## বি.এড. চূড়ান্ত পৰীক্ষাত (২০১৭-১৯) প্ৰথম শ্ৰেণীত উত্তীৰ্ণ প্ৰশিক্ষাৰ্থীসকল


বৰ্ষাৰাণী মৰাণ


বৰ্ণালী বৰুৱা


ধনমণি নেওগ


হিমশ্ৰী গগৈ


লীনা চুতীয়া


বিশ্বজিৎ গগৈ


চন্দন গগৈ


ৰমেন দত্ত

## ডি.এল.এড. চূড়ান্ত পৰীক্ষাত (২০১৭-১৯) A Grade প্ৰাপ্ত প্ৰশিক্ষাৰ্থীসকল


অনুৰাধা দত্ত


হিমাদ্ৰী গগৈ


টুনা গগৈ


নিহাৰিকা গগৈ


দিপাঙ্কৰ গগৈ


বিৰাজ চেতিয়া

## ডি.এল.এড. প্ৰথম ষান্মাসিকৰ প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা প্ৰস্তুত কৰা হাতেলিখা আলোচনীৰ কিছু দৃশ্যাংশ




















ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ 'Educonclave 1.0'ৰ দ্বাৰা আয়োজিত আন্তঃ বি.এড. কলেজ কুইজ প্ৰতিযোগিতাত তৃতীয় স্থান দখল কৰি শিক্ষানুষ্ঠানলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা দলটি।

সম্পাদনাত

মুখ্য উপদেষ্টাঃ ৰুণু গগৈ সোণোৱাল (অধ্যক্ষা)
উপদেষ্টা ঃ ভূপেন কুমাৰ দাস
দুলেন চন্দ্ৰ গোহাঁই
স্বৰাজ ফুকন
সম্পাদক ঃ গৰিমা দত্ত
সহঃ সম্পাদকঃ আকাশ দেৱনাথ
সদস্য/সদস্যা ঃ ৰমণীৰঞ্জন বৰদলৈ
কল্পনা হাতীবৰুৱা
যোগেশ তাৰ
মনজ্যোতি চেতিয়া
পুণেশ্বৰ দাস
ইউচিতা দিহিঙ্গীয়া
গুনীন সন্দিকৈ
নৰমল্লিকা ফুকন